# Visit of Foreign Secretary to Afghanistan (February 28-29 2020)

February 29, 2020

# বৈদেশিক সচিবৰ আফগানিস্তান ভ্ৰমণ (ফেব্ৰুৱাৰী 28-29 2020)

ফেব্ৰুৱাৰী 29, 2020

1. বৈদেশিক সচিব শ্ৰী হৰ্ষ বৰ্ধন শ্ৰীংগালে 28-29 ফেব্ৰুৱাৰী 2020 তাৰিখে আফগানিস্তান ভ্ৰমণ কৰে। এমাহৰ আগত ভাৰতৰ বৈদেশিক সচিবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এইটো তেখেতৰ প্ৰথম বিদেশ ভ্ৰমণ আৰু দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্বৰ কথা তুলি ধৰিছিল।

2. ভ্ৰমণৰ কালছোৱাত, তেখেতে ৰাষ্ট্ৰপতি ড° আশ্ৰফ ঘনী, মুখ্য কাৰ্যবাহী ড° আব্দুল্লা আব্দুল্লা আৰু পূৰ্ব ৰাষ্ট্ৰপতি শ্ৰী হামিড কাৰজাইৰ সৈতে সাক্ষাত কৰে। তেখেতে লগতে প্ৰথম উপ-ৰাষ্ট্ৰপতি শ্ৰী অমৰুল্লাহ চালেহ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা শ্ৰী মহম্মদ হাৰুণ চাকনচুৰী আৰু ভাৰপ্ৰাপ্ত বিত্ত মন্ত্ৰী শ্ৰী আব্দুল জাৰ্দানক সাক্ষাত কৰে। তেখেতে ৰাজনীতি, মিডিয়া, নাগৰিক সমাজ আৰু শিক্ষাবিদ সমূদায়ৰ আফগানৰ নেতাসকলক পৃথকে সাক্ষাত কৰে।

3. আফগান নেতৃবৰ্গৰ সৈতে তেখেতৰ বৈঠকত, বৈদেশিক সচিবে দুয়ো চুবুৰীয়া আৰু কৌশলগত অংশীদাৰৰ জৰিয়তে ৰাজনৈতিক, অৰ্থনৈতিক আৰু উন্নয়নৰ অংশীদাৰিত্ব বঢ়োৱাৰ কাৰণে ভাৰতৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। তেখেতে এক স্বাধীন, সাৰ্বভৌম, গণতান্ত্ৰিক, বহুত্ববাদী আৰু অন্তৰ্ভূক্তিমূলক আফগানিস্তানৰ কাৰণে ভাৰতৰ দৃঢ় সমৰ্থন পুনৰ ব্যক্ত কৰে যাৰদ্বাৰা আফগান সমাজৰ সকলো বৰ্গৰ স্বাৰ্থ সুৰক্ষিত হব। তেখেতে লগতে স্থায়ী আৰু সৰ্বব্যাপী শান্তি আৰু সমন্বয় সাধনৰ কাৰণে ভাৰতৰ সমৰ্থনৰ কথা ব্যক্ত কৰে যি আফগান-নেতৃত্বাধীন, আফগান-মালিকাধীন আৰু আফগান-নিয়ন্ত্ৰিত। তেখেতে ভাব প্ৰকাশ কৰে যে আফগানিস্তানত স্থায়ী শান্তিৰ কাৰণে বাহিৰাগত সন্ত্ৰাসবাদৰ অৱসান ঘটাব লাগিব।

4. চতুৰ্থ ৰাষ্ট্ৰপতি নিৰ্বাচন আৰু চূড়ান্ত ফলাফল ঘোষণাৰ কাৰণে বৈদেশিক সচিব গৰাকীয়ে আফগানিস্তানৰ জনগণ আৰু চৰকাৰক অভিনন্দন জ্ঞাপন কৰে। সাম্প্ৰতিক ঘটনাক্ৰম আৰু সাম্প্ৰতিক উন্নয়নৰ দ্বাৰা সৃষ্ট শান্তিৰ প্ৰত্যাশাৰ কথা উল্লেখ কৰি, তেখেতে দেশৰ জনসাধাৰণৰ কাৰণে স্থায়ী শান্তি আৰু সুৰক্ষাৰ দিশত একেলগে কাম কৰিবলৈ ৰাজনৈতিক নেতৃত্বৰ সকলো বৰ্গৰ আৱশ্যকতাৰ কথা পুনৰব্যক্ত কৰে।

5. আফগানৰ নেতৃবৰ্গই আঞ্চলিক যোগাযোগ প্ৰচেষ্টা যেনে চাহবাহাৰ বন্দৰৰ পৰিচালনা আৰু ভাৰত আৰু আফগানিস্তানৰ বিভিন্ন চহৰৰ মাজত এয়াৰ ফ্ৰেট কৰিডৰ স্থাপনৰ লগতে আফগানিস্তানৰ শান্তি, উন্নয়ন আৰু সমৃদ্ধিৰ কাৰণে ভাৰতৰ সমৰ্থনক গভীৰভাৱে প্ৰশংসা কৰে। ভ্ৰমম কালত আফগানিস্তানৰ বামিয়ান আৰু মাজাৰ-ই-হ্‌ৰীফ প্ৰান্তত ৰাস্তা প্ৰকল্পৰ কাৰণে ভাৰতৰ উন্নয়নৰ সহায়তাৰ ওপৰত চুক্তি স্বাক্ষৰ হয়। নতুন উন্নয়ন আংশীদাৰিত্বৰ বাস্তবায়িত কৰাৰ কাৰণে

একলগ হৈ কৰাম কৰা আৰু কৌশলগত অংশীদাৰিত্ব চুক্তি অনুসৰি সহযোগিতা প্ৰসাৰিত কৰাৰ বিষয়ে একমত হৈছিল।

**কাবুল**
**ফেব্ৰুৱাৰী 29, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.